# জুৰিটিৰ ইপাৰে-সিপাৰে

১ পৃষ্ঠাৰ পৰা আজি ভাবি আচৰিত হওঁ যি সময়ত মই মোৰ মৃত্যু প্ৰায় নিশ্চিত বুলি অনুভৱ কৰিছিলো, সেই সময়ত প্ৰতিপল অহৰহ গোপনে অনুসৰণ কৰি থকা মৃত্যু ভীতিয়ে ক'ৰবাত পলাই ফাট মাৰিছিল। যি সময়ত সন্মুখৰ গাড়ীখনে মোক পিষ্ট কৰি পেলাব বুলি নিশ্চিত হৈছিলো সেই সময়তো এবাৰলৈ কঁপি উঠা নাছিল বুকু। দুৰ্ঘটনাটোৰ বহু সময় পিছলৈকে মই এক অচিনাকি ভাবনাত আচ্ছন্ন হৈ আছিলো। এনে লাগিছিল বোনাচ হিচাপে লাভ কৰা জীৱনে যেন ধুই লৈ গ'ল মৃত্যুৰ সেই আপদীয়া অস্তিত্বক। কিন্তু এই স্বস্তি মাত্ৰ কেইটিমান মুহূৰ্তৰ বাবেহে আছিল। জীৱনে যেতিয়া আকৌ স্বাভাৱিক ৰূপ লৈছিল সেই অনাহূত অস্তিত্বই আকৌ গোপনে থিয় দিছিল আমাৰ পাছফালে। বুজিছিলো, আমি বিচাৰোৱেই বা নিবিচাৰো, আমৃত্যু যে সি আমাক অনুসৰণ কৰি যাবই সেয়া ধ্ৰুৱ।

(৫)

১৯৫১ চনত ৰে ব্ৰেডবেৰীৰ 'দ্য লাষ্ট নাইট অব্ দ্য ৱৰ্ল্ড' নামেৰে এটি গল্প প্ৰকাশ পাইছিল। গল্পটিৰ আৰম্ভণি হৈছিল এগৰাকী ব্যক্তিয়ে তেওঁৰ পত্নীক সোধা এটি প্ৰশ্নৰে— 'What would you do if you knew this was the last night of the world?' সেই ব্যক্তিগৰাকীয়ে চাৰিদিন মান আগতে এটি সপোন দেখিছিল, য'ত কোনোবা এটি অদৃশ্য কণ্ঠই অতি স্পষ্টভাৱে কৈছিল যে আজিৰ এই বিশেষ দিনটোত পৃথিৱীখন চিৰদিনলৈ স্তব্ধ হৈ পৰিব। লাহে লাহে তেওঁ গম পাইছিল যে এই সপোনটো অকল তেৱেঁই নহয়, চহৰখনৰ তেওঁৰ চিনাকি আটায়ে দেখিছে। ঠিক একেই সপোন, অকণো হীনদেড়ি নোহোৱাকৈ। পত্নীয়ে ওচৰৰ বাতৰি কাকতখন হাতত লৈ সুধিছিল, 'ইয়াত দেখোন সেই বিষয়ে একো উল্লেখ নাই?' 'তাৰ প্ৰয়োজন নাই। কাৰণ কথাটো সকলোৱেই জানে।' কথাটো শুনিও নিৰুদ্বিগ্ন হৈ থকা পত্নীক উদ্দেশ্যি তেওঁ কথাখিনি কৈছিল। আচলতে তেওঁৰ পত্নীয়েও যোৱা নিশা সপোনটো দেখি উঠিছিল। আশ্চৰ্যজনকভাৱে যি মৃত্যুৰ ক'লা ছায়াই তেওঁলোকক ইমানদিনে শংকিত কৰি ৰাখিছিল সেই ভীতি যেন ক'ৰবাত পলাই ফাট মাৰিছিল। অকল তেওঁলোকেই নহয় সমগ্ৰ চহৰখনেই ইয়াক অতি স্বাভাৱিকভাৱে গ্ৰহণ কৰিছিল। অৱধাৰিত মৃত্যুক আদৰিবলৈ ক'তো হোৱা নাছিল কোনো বিশেষ আয়োজন। কোনো শংকিত নতুবা কোনো উল্লাসিত হোৱা নাছিল। আজিৰ ৰাতিটোৱেই জীৱনৰ শেষ ৰাতি বুলি জনাৰ পিছতো সকলো আগবাঢ়িছিল স্বাভাৱিকভাৱে। গল্পটোৰ শেষত দেখা যায় বিচনাত শুবলৈ বুলি আগবঢ়া ব্যক্তিগৰাকীৰ পত্নীয়ে হঠাতে পাকঘৰলৈ বুলি লৰ মাৰে। কিয়নো তেওঁ ভুলক্ৰমে পাকঘৰৰ পানীৰ টেপটো খুলি থৈ দিছিল যাৰ শব্দ ৰিণিৰিণিকৈ শুৱনি কোঠাটোলৈও ভাহি আহিছিল।

প্ৰতিটো জীৱনৰ বাবে মৃত্যু এক অৱধাৰিত সত্য। প্ৰতিটো দিন প্ৰতিটো নিশা আমাৰ বাবে হ'ব পাৰে শেষ দিন বা শেষ নিশা। কিন্তু প্ৰতি মুহূৰ্তত মৃত্যু ভীতিয়ে কোঙা কৰি ৰখা জীৱন প্ৰকৃততে এক মৃতকৰহে জীৱন। জীয়াই থকা দিনকেইটা সম্পূৰ্ণ পৰিপূৰ্ণতাৰে জীয়াই থাকিবলৈ কৰা প্ৰয়াস হ'ব পাৰে মৃত্যুভীতিৰ প্ৰতি সমুচিত প্ৰত্যুত্তৰ। জুৰিটিৰ সিপাৰে কি আছে সেয়া আমাৰ সকলোৰে বাবে এক নুবুজা সাঁথৰ। কিন্তু জুৰিটিৰ ইপাৰৰ পৃথিৱীখনক আমি জানো আৰু বুজো। তথাপি সিপাৰৰ পৃথিৱীখনৰ কষ্টকল্পিত ভয়ংকৰ ছবি এখন বুকুত সাবটি আমি যেন সকলোৱে মিছাতে ইপাৰৰ পৃথিৱীখনৰ সৌন্দৰ্য উপভোগ কৰাতো সম্পূৰ্ণৰূপে ব্যৰ্থ হৈছো। অহৰহ সিপাৰৰ ভাহি অহা আহ্বানে ইপাৰৰ জীৱনক বিষময় কৰি তুলিছে। ব্ৰেডবেৰীৰ গল্পটোৰ দম্পতীহালৰ দৰে নতুবা সেই চহৰখনৰ বাসিন্দাবোৰৰ দৰে আমি সিপাৰৰ আহ্বানক নিৰুদ্বিগ্নতাৰে গ্ৰহণ কৰিব পৰা নাই। কাৰণ সিপাৰৰ জগতখনৰ এখন ভয়ংকৰ প্ৰতিচ্ছবিয়ে আমাৰ বুকুৰ মাজত খোপনি পুতি বহি লৈছে। ইপাৰৰ জগতখনৰ মায়াময় মাধুৰ্য আৰু সিপাৰৰ কল্পিত ভয়াৱহতাই মৃত্যুক তাৰ ত্ৰাসৰ সাম্ৰাজ্য বৃদ্ধিত অৰিহণা আগবঢ়াইছে। ■

ভ্ৰাম্যভাষ ঃ ৯৭০৭৩৭০২৫৮

Scanned with CamScanner

# জুৰিটিৰ ইপাৰে-সিপাৰে

১ পৃষ্ঠাৰ পৰা আজি ভাবি আচৰিত হওঁ যি সময়ত মই মোৰ মৃত্যু প্ৰায় নিশ্চিত বুলি অনুভৱ কৰিছিলো, সেই সময়ত প্ৰতিপল অহৰহ গোপনে অনুসৰণ কৰি থকা মৃত্যু ভীতিয়ে ক'ৰবাত পলাই ফাট মাৰিছিল। যি সময়ত সন্মুখৰ গাড়ীখনে মোক পিষ্ট কৰি পেলাব বুলি নিশ্চিত হৈছিলো সেই সময়তো এবাৰলৈ কঁপি উঠা নাছিল বুকু। দুৰ্ঘটনাটোৰ বহু সময় পিছলৈকে মই এক অচিনাকি ভাবনাত আচ্ছন্ন হৈ আছিলো। এনে লাগিছিল বোনাচ হিচাপে লাভ কৰা জীৱনে যেন ধুই লৈ গ'ল মৃত্যুৰ সেই আপদীয়া অস্তিত্বক। কিন্তু এই স্বস্তি মাত্ৰ কেইটিমান মুহূৰ্তৰ বাবেহে আছিল। জীৱনে যেতিয়া আকৌ স্বাভাৱিক ৰূপ লৈছিল সেই অনাহূত অস্তিত্বই আকৌ গোপনে থিয় দিছিল আমাৰ পাছফালে। বুজিছিলো, আমি বিচাৰোৱেই বা নিবিচাৰো, আমৃত্যু যে সি আমাক অনুসৰণ কৰি যাবই সেয়া ধ্ৰুৱ।

(৫)

অনুসৰণ কৰি যাবই সেয়া ধ্ৰুৰূপ।

(৫)

১৯৫১ চনত ৰে ব্ৰেডবেৰীৰ 'দ্য লাষ্ট নাইট অৱ্ দ্য ৱৰ্ল্ড' নামেৰে এটি গল্প প্ৰকাশ পাইছিল। গল্পটিৰ আৰম্ভণি হৈছিল এগৰাকী ব্যক্তিয়ে তেওঁৰ পত্নীক সোধা এটি প্ৰশ্নৰে— 'What would you do if you knew this was the last night of the world?' সেই ব্যক্তিগৰাকীয়ে চাৰিদিন মান আগতে এটি সপোন দেখিছিল, য'ত কোনোবা এটি অদৃশ্য কণ্ঠই অতি স্পষ্টভাৱে কৈছিল যে আজিৰ এই বিশেষ দিনটোত পৃথিৱীখন চিৰদিনলৈ স্তব্ধ হৈ পৰিব। লাহে লাহে তেওঁ গম পাইছিল যে এই সপোনটো অকল তেৱেঁই নহয়, চহৰখনৰ তেওঁৰ চিনাকি আটায়ে দেখিছে। ঠিক একেই সপোন, অকণো হীনদেড়ি নোহোৱাকৈ। পত্নীয়ে ওচৰৰ বাতৰি কাকতখন হাতত লৈ সুধিছিল, 'ইয়াত দেখোন সেই বিষয়ে একো উল্লেখ নাই?' 'তাৰ প্ৰয়োজন নাই। কাৰণ কথাটো সকলোৱেই জানে।' কথাটো শুনিও নিৰুদ্বিগ্ন হৈ থকা পত্নীক উদ্দেশ্যি তেওঁ কথাখিনি কৈছিল। আচলতে তেওঁৰ পত্নীয়েও যোৱা নিশা সপোনটো দেখি উঠিছিল। আশ্চৰ্যজনকভাৱে যি মৃত্যুৰ ক'লা ছায়াই তেওঁলোকক ইমানদিনে শংকিত কৰি ৰাখিছিল সেই ভীতি যেন ক'ৰবাত পলাই ফাট মাৰিছিল। অকল তেওঁলোকেই নহয় সমগ্ৰ চহৰখনেই ইয়াক অতি স্বাভাৱিকভাৱে গ্ৰহণ কৰিছিল। অৱধাৰিত মৃত্যুক আদৰিবলৈ ক'তো হোৱা নাছিল কোনো বিশেষ আয়োজন। কোনো শংকিত নতুবা কোনো উল্লাসিত হোৱা নাছিল। আজিৰ ৰাতিটোৱেই জীৱনৰ শেষ ৰাতি বুলি জনাৰ পিছতো সকলো আগবাঢ়িছিল স্বাভাৱিকভাৱে। গল্পটোৰ শেষত দেখা যায় বিচনাত শুবলৈ বুলি আগবঢ়া ব্যক্তিগৰাকীৰ পত্নীয়ে হঠাতে পাকঘৰলৈ বুলি লৰ মাৰে। কিয়নো তেওঁ ভুলক্ৰমে পাকঘৰৰ পানীৰ টেপটো খুলি থৈ দিছিল যাৰ শব্দ ৰিণিৰিণিকৈ শুৱনি কোঠাটোলৈও ভাহি আহিছিল।

প্ৰতিটো জীৱনৰ বাবে মৃত্যু এক অৱধাৰিত সত্য। প্ৰতিটো দিন প্ৰতিটো নিশা আমাৰ বাবে হ'ব পাৰে শেষ দিন বা শেষ নিশা। কিন্তু প্ৰতি মুহূৰ্তত মৃত্যু ভীতিয়ে কোঙা কৰি ৰখা জীৱন প্ৰকৃততে এক মৃতকৰহে জীৱন। জীয়াই থকা দিনকেইটা সম্পূৰ্ণ পৰিপূৰ্ণতাৰে জীয়াই থাকিবলৈ কৰা প্ৰয়াস হ'ব পাৰে মৃত্যুভীতিৰ প্ৰতি সমুচিত প্ৰত্যুত্তৰ। জুৰিটিৰ সিপাৰে কি আছে সেয়া আমাৰ সকলোৰে বাবে এক নুবুজা সাঁথৰ। কিন্তু জুৰিটিৰ ইপাৰৰ পৃথিৱীখনক আমি জানো আৰু বুজো। তথাপি সিপাৰৰ পৃথিৱীখনৰ কষ্টকল্পিত ভয়ংকৰ ছবি এখন বুকুত সাবটি আমি যেন সকলোৱে মিছাতে ইপাৰৰ পৃথিৱীখনৰ সৌন্দৰ্য উপভোগ কৰাতো সম্পূৰ্ণৰূপে ব্যৰ্থ হৈছো। অহৰহ সিপাৰৰ ভাহি অহা আহ্বানে ইপাৰৰ জীৱনক বিষময় কৰি তুলিছে। ব্ৰেডবেৰীৰ গল্পটোৰ দম্পতীহালৰ দৰে নতুবা সেই চহৰখনৰ বাসিন্দাবোৰৰ দৰে আমি সিপাৰৰ আহ্বানক নিৰুদ্বিগ্নতাৰে গ্ৰহণ কৰিব পৰা নাই। কাৰণ সিপাৰৰ জগতখনৰ এখন ভয়ংকৰ প্ৰতিচ্ছবিয়ে আমাৰ বুকুৰ মাজত খোপনি পুতি বহি লৈছে। ইপাৰৰ জগতখনৰ মায়াময় মাধুৰ্য আৰু সিপাৰৰ কল্পিত ভয়াৱহতাই মৃত্যুক তাৰ ত্ৰাসৰ সাম্ৰাজ্য বৃদ্ধিত অবিহণা আগবঢ়াইছে। ■

ভ্ৰাম্যভাষ : ৯৭০৭৩৭০২৫৮

Scanned with CamScanner